**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-JAN-2026
**Time :** 1340 HRS

***Assamese Midday Bulletin***

——————————————

১।	ভাৰতে গণতান্ত্রিক প্ৰতিষ্ঠান আৰু গণতান্ত্রিক প্ৰক্ৰিয়াই যে গণতন্ত্ৰক সুস্থিৰতা আৰু গতি প্ৰদান কৰে  সেয়া প্ৰমাণ কৰিছে বুলি  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২।	প্ৰধানমন্ত্ৰীয়ে কাইলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত ষ্টাৰ্ট ইণ্ডিয়া উদ্যমৰ এক দশক সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

৩।	বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰতীয়সকলক সম্প্ৰতি ইৰান ভ্ৰমণ নকৰিবলৈ আহ্বান জনাইছে।

৪।	সেনাবাহিনী দিৱস উপলক্ষে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে ভাৰতীয় সেনাবাহিনীৰ সাহসী বিষয়া, সৈনিক আৰু প্ৰাক্তনসকলক শুভেচ্ছা জনায়।

**আৰু**

৫।	মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি ইউ পি ৱাৰিয়াৰ্জ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

ভাৰতে গণতান্ত্রিক প্ৰতিষ্ঠান আৰু গণতান্ত্রিক প্ৰক্ৰিয়াই যে গণতন্ত্ৰক সুস্থিৰতা আৰু গতি প্ৰদান কৰে  সেয়া প্ৰমাণ কৰিছে বুলি  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীৰ সংবিধান ভৱনত আজি কমনৱলেথ ৰাষ্ট্ৰসমূহৰ সংসদৰ অধ্যক্ষ আৰু সভাপতিসকলক উদ্দেশ্যি ভাষণ দি শ্ৰীমোদীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে ভাৰতে বিচিত্ৰ্যতাক দেশৰ গণতান্ত্রিক ব্যৱস্থাৰ শক্তিলৈ ৰূপান্তৰ কৰিছে। তেওঁ কয় যে ভাৰতত গণতন্ত্ৰ মানে হৈছে সমাজৰ শেষৰ গৰাকী ব্যক্তিকো সেৱা প্ৰদান ব্যৱস্থাৰে সামৰি লোৱা আৰু চৰকাৰে কোনো ধৰণৰ বৈষম্য অবিহনে প্ৰতি গৰাকী ব্যক্তিৰ বাবে ৰাজহুৱা কল্যাণৰ মনোভাৱেৰে কাম কৰি আছে। বিগত কেইটামান বছৰত দেশৰ প্ৰায় ২৫ কোটি লোক দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত হোৱা বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে।

-বাইট (শ্ৰীমোদী)-

প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতত জনসাধাৰণ সৰ্বপৰি আৰু  তেওঁলোকৰ আশা-আকাংক্ষাত সৰ্বাধিক অগ্ৰাধিকাৰ  দিয়া হয়। তেওঁ লগতে কয় যে ভাৰতে বিচিত্ৰতাক নিজৰ  শক্তিলৈ ৰূপান্তৰ কৰি বিশ্বৰ দ্ৰুত বিকাশশীল গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থাৰ দেশৰূপে পৰিগণিত হৈছে।  ইউপিআইক বিশ্বৰ সৰ্ববৃহৎ ডিজিটেল ধনাদায় ব্যৱস্থা বুলি শ্ৰীমোদীয়ে অভিহিত কৰে। তেওঁ কয় যে ভাৰত বিশ্বৰ  সৰ্ববৃহৎ প্ৰতিষেধক আৰু বিশ্বৰ দ্বিতীয় সৰ্বাধিক তীখা উৎপাদনকাৰী। তেওঁ কয় যে এইবেলি ভাৰতত চতুৰ্থবাৰৰ বাবে কমনৱেলথ ৰাষ্ট্ৰসমূহৰ সংসদৰ অধ্যক্ষ আৰু সভাপতিসকলৰ সন্মিলন অনুষ্ঠিত হৈছে।

-বাইট (মোদী)-

প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতে গোলকীয় মঞ্চসমূহত গ্ল'বেল চাউথ হিচাপে পৰিচিত অৰ্থনৈতিক আৰু ঔদ্যোগিক দিশৰ পৰা তুলনামূলকভাৱে কম বিকশিত ৰাষ্ট্ৰসমূহৰ উদ্বেগ শক্তিশালীভাৱে উত্থাপন কৰি আহিছে।

সন্মিলনত অংশগ্ৰহণ কৰি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে কৃত্ৰিম বুদ্ধিমত্তা আৰু সামাজিক মাধ্যমসমূহে‌ৰ গণতান্ত্রিক প্ৰতিষ্ঠানসমূহৰ দক্ষতা আৰু সমৰ্থ বৃদ্ধিত সহায় কৰিছে  যদিও  অপপ্ৰচাৰ, চাইবাৰ অপৰাধ আৰু সামাজিক বিভাজনৰ দৰে গুৰুতৰ প্ৰত্যাহ্বানৰো সৃষ্টি কৰিছে। অধ্যক্ষগৰাকীয়ে কয় যে এই প্ৰত্যাহ্বানসমূহৰ কথা গুৰুত্ব সহকাৰে বিবেচনা কৰি ইয়াৰ যথোচিত  সমাধান উলিওৱাটো সকলোৰে সমূহীয়া দায়িত্ব। শ্ৰীবিৰলাই এইবাৰৰ সন্মিলনত গুৰুত্বপূৰ্ণ গোলকীয় বিষয় লৈ গভীৰ আলোচনা হ'ব আৰু এই সন্দৰ্ভত কঠোৰ নীতিগত সিদ্ধান্ত লোৱা হ'ব বুলি আশা প্ৰকাশ কৰে। ভাৰতীয় সংসদৰ ৭ দশকৰো অধিক সময়জোৰা যাত্ৰাৰ বিষয়ে আলোকপাত কৰি শ্ৰীবিৰলাই কয় যে নাগৰিক কেন্দ্ৰীক নীতি

আৰু কল্যাণকামী আইনৰ প্ৰণয়নে গণতান্ত্ৰিক ব্যৱস্থা সবল কৰি তুলিছে। তেওঁ কয় যে ভাৰতৰ নিকা নিৰ্বাচনী প্ৰণালীয়ে গণতন্ত্ৰত প্ৰতিগৰাকী নাগৰিকৰ অংশগ্ৰহণ সুনিশ্চিত কৰিছে আৰু ইয়াৰ ফলত গণতন্ত্ৰৰ প্ৰতি জনসাধাৰণৰ আস্থা বৃদ্ধি পাইছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে দুদিনীয়া ভ্ৰমণসূচী লৈ পঞ্জাৱত উপস্থিত হৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি অমৃতসৰত গুৰু নানক দেৱ বিশ্ববিদ্যালয়ৰ সোণালী জয়ন্তী সমাৱৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত শ্ৰীমতী মুৰ্মুৰে ৪৬৩ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী আৰু পদক প্ৰদান কৰিব। কাইলৈ তেওঁ জলন্ধৰত ড০ বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ ২১ সংখ্যক সমাৱৰ্তনত অংশগ্ৰহণ কৰিব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি প্ৰযুক্তি প্ৰতিষ্ঠানখনত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে এখন সুউচ্চ ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰাৰ লগতে চাইবাৰ সুৰক্ষাৰ দুটা কেন্দ্ৰও উদ্বোধন কৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত ষ্টাৰ্ট ইণ্ডিয়া উদ্যমৰ এক দশক সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে দেশৰ ষ্টাৰ্ট আপ ব্যৱস্থাৰ সৈতে জড়িত লোকসকলৰ সৈতে মতবিনিময় কৰিব। ষ্টাৰ্টআপ খণ্ডৰ বচা বচা প্ৰতিনিধিয়ে তেওঁলোকৰ উদ্যমী যাত্ৰাৰ অভিজ্ঞতাৰ বিষয়ে অনুষ্ঠানত অৱগত কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্ভাৱন, উদ্যমশীলতাৰ প্ৰসাৰ আৰু বিনিয়োগ আধাৰিত বিকাশ সুনিশ্চিত কৰাৰ উদ্দেশ্যে ২০১৬চনৰ ১৬ জানুৱাৰীত ষ্টাৰ্ট আপ ইণ্ডিয়া উদ্যম মুকলি কৰিছিল। ভাৰতবৰ্ষক চাকৰি প্ৰত্যাশীৰ পৰিৱৰ্তে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিকাৰী ৰাষ্ট্ৰৰূপে গঢ়িতোলাই এই উদ্যমৰ মূল উদ্দেশ্য।

বিগত দশকত ষ্টাৰ্টআপ ইণ্ডিয়া ভাৰতৰ অৰ্থনৈতিক আৰু উদ্ভাৱনমূলক পৰিকাঠামোৰ মূল ভেটি ৰূপে পৰিগণিত হৈছে। এই উদ্যমে প্ৰতিষ্ঠানগত ব্যৱস্থা সবল কৰি তুলিছে আৰু পুঁজি তথা দিকনিৰ্দেশনা লাভৰ প্ৰক্ৰিয়া সুগম কৰি তুলিছে।

০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰতীয়সকলক সম্প্ৰতি ইৰান ভ্ৰমণ নকৰিবলৈ আহ্বান জনাইছে। মধ্যপ্ৰাচ্যৰ দেশখনৰ সুৰক্ষা ব্যৱস্থাৰ অধিক অৱনতি ঘটাৰ পৰিপ্ৰেক্ষিততে মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে সাম্প্ৰতিক পৰিস্থিতিত পৰৱৰ্তী জাননী নিদিয়া পৰ্যন্ত ভাৰতীয়সকলক দেশখন ভ্ৰমণ কৰাৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছে। লগতে ইৰানবাসী ভাৰতীয়সকলক তেহৰানত থকা ভাৰতীয় দূতাবাসত নিজৰ নাম পঞ্জীয়ন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ইপিনে, তেহৰানৰ ভাৰতীয় দূতাবাসে ইৰানত থকা শিক্ষাৰ্থী, পৰ্যটক, ব্যৱসায়ী, তীৰ্থযাত্ৰী আদি সকলোকে শীঘ্ৰে দেশখন ত্যাগ কৰিবলৈ পৰামৰ্শ দিছে। দূতাবাসে লগতে প্ৰবাসী ভাৰতীয়সকলক তেওঁলোকৰ নথিপত্ৰ ঠিকমতে যোগাৰ ৰাখিবলৈও আহ্বান জনাইছে।

০০০০০০

ইৰাণত প্ৰতিবাদকাৰীৰ বিৰুদ্ধে গ্ৰহণ কৰা হিংসাত্মক ঘটনাৰ বাবে সৃষ্টি হোৱা অশান্ত পৰিস্থিতি আৰু ক্ৰমাৎ বেয়াৰ পিনে ঢাল খোৱা সুৰক্ষা পৰিস্থিতৰ দোহাই দি ব্ৰিটেইনে তেহৰানত থকা দেশখনৰ দূতাবাস অস্থায়ীভাৱে বন্ধ কৰি দিছে। ব্ৰিটেইনৰ বিদেশ মন্ত্ৰ্যালয়ে এই পদক্ষেপৰ বিষয়ে নিশ্চিত কৰি তেহৰানৰ দূতবাসে এতিয়া অন্য স্থানৰ পৰা কাম-কাজ চলাব বুলি জানিবলৈ দিছে। আঞ্চলিক অস্থিৰতা চৰম পৰ্যায়ত উপনীত হোৱা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰাণৰ বিৰুদ্ধে সম্ভাব্য সামৰিক আক্ৰমণৰ কথা বিবেচনা কৰাৰ সময়ত ব্ৰিটেইনে এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০০

আজি সেনাবাহিনী দিৱস। এই উপলক্ষে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে ভাৰতীয় সেনাবাহিনীৰ সাহসী বিষয়া, সৈনিক আৰু প্ৰাক্তনসকলক শুভেচ্ছা জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিয়ে কয় যে সৈনিকসকলৰ অদম্য সাহস, নিয়মানুৱৰ্তিতা আৰু সৰ্বোচ্চ ত্যাগে দেশখনক দি অহা সুৰক্ষাই প্ৰতিজন নাগৰিকক উদ্বুদ্ধ কৰি আহিছে। সৈনিকসকলৰ নিঃস্বাৰ্থ সেৱা আৰু দেশৰ একতা তথা অখণ্ডতা ৰক্ষাৰ বাবে থকা প্ৰতিশ্ৰুতিবদ্ধতাক দেশবাসীয়ে সদায় সন্মান কৰি আহিছে বুলিও উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। শ্ৰীৰাধাকৃষ্ণণে কয় যে কৰ্তব্যত থকা অৱস্থাত জীৱন ত্যাগ কৰা বীৰ যোদ্ধাসকলক দেশে সদায় মনত ৰাখিব।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সেনাবাহিনী দিৱস উপলক্ষে ভাৰতীয় সেনাৰ বিষয়া, জোৱান আৰু তেওঁলোকৰ পৰিয়ালসমূহক অভিনন্দন জনাইছে। শ্ৰীসিঙে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয় যে ভাৰতীয় সেনাবাহিনীৰ সাহস, সৰ্বোচ্চ ত্যাগ আৰু দেশ ৰক্ষাৰ বাবে থকা প্ৰতিশ্ৰুতিবদ্ধতাক দেশবাসীয়ে সদায় সন্মান জনাই আহিছে। দেশৰ সীমান্ত ৰক্ষাৰ লগতে সংঘাতৰ সময়ত দেখুওৱা সাহসৰ কথা উল্লেখ কৰি শ্ৰীসিঙে কয় যে পেছাদাৰী মনোভাৱ, নিয়মানুৱৰ্তিতা আৰু মানৱ সেৱাৰ বাবে ভাৰতীয় সেনাবাহিনীয়ে বিশ্বৰ সমীহ আদায় কৰিবলৈ সমৰ্থ হৈছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে দোহাৰে যে এটা আধুনিক আত্মনিৰ্ভৰ আৰু ভৱিষ্যতৰ বাবে সাজু সেনবাহিনী গঠন কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি ইউ পি ৱাৰিয়াৰ্জ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা নৱী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহী কেপিটেলছে ইউ পি ৱাৰিয়াৰ্জক ৭ উইকেটত পৰাজিত কৰে। খেলখনত প্ৰথমে বেটিং কৰিবলৈ নামি ৱাৰিয়াৰ্জে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেট হেৰুৱাই ১৫৪ ৰান সংগ্ৰহ কৰে। অধিনায়ক মেগ লেনিঙে সৰ্বাধিক ৫৪ আৰু হাৰলিন দেউলে ৪৭ ৰান কৰে।

প্ৰত্যুত্তৰত দেলহীয়ে মাত্ৰ ৩টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। লিজেল লীয়ে সৰ্বাধিক ৬৭ ৰান কৰে। ৩৬ ৰান কৰাৰ লগতে ৪ অভাৰত মাত্ৰ ১৬ ৰানৰ বিনিময়ত দুটা উইকেট দখল কৰা শেফালী বাৰ্মাক শ্ৰেষ্ঠ খেলুৱৈ ৰূপে নিৰ্বাচিত কৰা হয়।

০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পোংগাল আৰু মকৰ সংক্ৰান্তি উপলক্ষে সকলোকে শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে কয় যে এই কৃষিভিত্তিক উৎসৱে প্ৰকৃতি, কৃষক আৰু কঠিন পৰিশ্ৰমে দেশ নিৰ্মাণলৈ আগবঢ়োৱা অৱদানক সোঁৱৰাই দিয়ে। তেওঁ পোংগাল উৎসৱে প্ৰতিটো পৰিয়াললৈ সমৃদ্ধি, শান্তি আৰু নতুন আশাৰ সঞ্চাৰ কৰিব বুলি আশা কৰে।

এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে পোংগাল উৎসৱে সকলোকে একেলগ কৰি ৰাখি সমাজত শান্তি-সম্প্ৰীতি অটুট ৰখাত সহায় কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে এই উৎসৱে কৃষিৰ গুৰুত্ব আৰু শ্ৰমৰ মৰ্যাদাক নিৰ্দেশ কৰে। পোংগাল উৎসৱে সমাজত নতুন শক্তিৰ সঞ্চাৰ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০

**সমাপ্ত**